## : প্ৰিয়তমা :

শ্ৰীহীৰামণি বৰা
প্ৰথম বাৰ্ষিক, উঃ মাঃ

তোমাক লগ পোৱাৰ মুহূৰ্ত্তবোৰ
মোৰ বাবে সীমাহীন
উত্তাপৰ উৎস
তোমাৰ প্ৰতিটো অনুৰোধ
মোৰ বাবে সজাগ ব্যস্ততা
আৰু তোমাৰ অভিব্যক্তিতে
হয়তো লুকাই আছে
মোৰ ভৱিষ্যত। ×

## আমাক জীয়াই থকাৰ অধিকাৰ লাগে

শ্ৰীবাণত বাতা
২য় বাৰ্ষিক, উঃ মাঃ

প্ৰতিদিনে দেখো অনাহাৰিত
শ্ৰমজীৱী মানুহৰ মিছিল
শুনো উচ্চস্বৰে চিঞৰি উঠা
প্ৰতিবাদৰ কণ্ঠস্বৰ
তেতিয়া ভাব হয়—
মোৰ বুলিতো একো নাই
চিঞৰৰ প্ৰতিটো শব্দই মোৰ
হৃদয় পৰশি যায়
মই মিলি যাওঁ মিছিলৰ মাজত
দুহাতেৰে তুলি ধৰো
অধিকাৰৰ পতাকা। +

# তেজৰঙা বাট

শ্ৰীবসন্ত কুমাৰ দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ।

উফৰি পৰিল
তজ-বজ তোমাৰ কলিজা
হালিপৰা সূৰ্যৰ গাত
বিস্ময়ত বিমূঢ় নিষ্পাপ আকাশ
ঘৰমুৱা বগলীৰ পাখিত উপজিল
তাল-ভঙা দেওধনী নাচ
নিৰ্বিবাদ বিধানৰ শব্দৰ জঞ্জালত
নিশব্দে হেৰাই থাকিল
নিঃকিন জীৱনৰ আঁত
দুখৰ দুৱাৰ খুলি
নিশ্চুপ বতাহত বিয়পিল
আই ঐ দেহি এষাৰি মাত।
কাষত পাথৰিঘাট
দীপিলাই কাটিলে
বুৰঞ্জীত আৰু এটি বাট
একেখন পথাৰত বগা-ক'লা
দেওলগা তুখিলা পাত
কোননো গুৰুৱে কেনেকৈ পিন্ধালে
সভ্যতাৰ সেনানীক
শান্তিৰ উত্তৰী গাত
বিহ্‌সনা সীহেৰে এগাল বুকু ভেদি
খেয়ালি মনটি কৰিলে শাঁত।
দেখো জগৰ সকলোতে
বন্দুকহে নালাগে, মুখত হাঁহিৰ বাঁহী
বাৰুদহে নালাগে, হাতত কলম আৰু কাঁচি
তাকো হেনো লোৱাটো পাপ
কথা নাই কাঢ়ি নিয়ে সাদৰী মাত
মাৰি নিয়ে পোৱালিবো
পেটৰে ভাত
শেনযেন শনাহী জাত।
কাষত পাথৰিঘাট
চোৰাচোন চোৱা
দীপিলাই কাটিলে মানুহৰ বুৰঞ্জীত
তেজৰঙা—মনভঙা
বিশ্বাদৰ আৰু এটি বাট।

—ঃ×ঃ—

## লগ পাম

শ্ৰীপ্ৰণয় কলিতা
২য় বাৰ্ষিক, স্নাতক

আজি ৰাতিপুৱা তাই মোক জগালে
দুয়ো আলফুলে খেলিলো
দুপৰীয়া মোক জ্বলি জ্বলি পুৰিলে
মই যেন অগ্নি কোলাত
নিৰুপায় হৈ সোমাই পৰিলো
এন্ধাৰ কূপত
পিছমুহূৰ্ত্তত সোণালী সাজেৰে
বিৰিঙিয়াই মাতিছে কাষলৈ
ওলাই আহি দেখিলো
তাই দেখোন গৈয়েই আছে
এয়া – এইবাৰ সেন্দুৰীয়া
ফোঁট পিন্ধি হেৰাই গ'ল
পাহাৰৰ সিপাৰত
কৈ গ'ল লগ পাম
আকৌ এবাৰ ।

## হেৰাই যোৱা জনৰ আশা

শ্ৰীবিজয় কুমাৰ নাথ
২য় বাৰ্ষিক, স্নাতক

সিহঁতেতো ভবা নাছিল
এইদৰে থাকিব লাগিব পৰি
স্বদেশ ভূমিত
নিজৰ অধিকাৰখিনি বিচৰাৰ বাবে
লুইতৰ পাৰত পৰি থকা সিহঁতৰ
বগা হাড়বোৰে বৰণ সলাইছে ।
সূৰ্যৰ চিক-মিক কিৰণত
জিলিকি উঠিছে বসন্তৰ বা' লোৱা-
এক সেউজী গছৰ দৰে
আৰু সিহঁতৰ আশাবোৰ
ওপঙি ফুৰিছে জনসাধাৰণৰ
বুকুৰ পাহে পাহে ।

# নহয় নিজৰ

শ্ৰীসৰ্বিন কুমাৰ বৈশ্য
প্ৰথম বাৰ্ষিক, উঃ মাঃ

জোনাকত উপভোগ কৰিব খুজিছিলা সঙ্গীত
উদং পথাৰত বহি লিখিব খুজিছিলা কবিতা
শুনিব খুজিছিলা বননিব গৰখীয়া মুকুলীৰ তান
শূন্যলৈ মূৰ ডাঙি চাব খুজি থমকি ৰ'লা
সকলো আকাশ কুসুম
জোনাকৰ মৌ-কোহ অকলে পিব নোৱাৰি
বহুতে নুবুজিলে কবিতাবো নেথাকে যে অৰ্থ
নৈয়ে শতরু শালিলে নেবাজে আজি
গৰখীয়া মুকুলী
আজি-কালি এইবোৰ নিতান্তই
নহয় নিজৰ।

—:+:—

# সমাগত দিনবোৰ

শ্ৰীসঞ্জয় দাস
প্ৰথম বাৰ্ষিক, স্নাতক

গভীৰ এন্ধাৰ নিশা
নিৰ্ভয়ে আগ বাঢ়িছিলো
লক্ষ্য এক নিৰাপদ অজান ঠাই
আথে-বেথে তুলি লৈছিলো
নিডল্ কৰিব বিচৰা নিগনিটোক
মই ভবা নাছিলো ইয়াৰ প্ৰত্যুত্তৰ
ভয়ঙ্কৰ হ'ব—
মই জনা নাছিলো নিগনিটোৰ বাবে
সি খাপ পাতি ৰ'ব
সমাগত দিনবোৰত খোজেপতি
আমনি কৰিব আৰু
গাঁৱৰ পৰা চহৰৰ হস্পিটেললৈ
যাবলৈ বাধ্য কৰাব
তথাপিও প্ৰাৰ্থনা আছিল
জীৱনৰ বাবে।

)x(

# প্ৰতিজ্ঞা

মিচ্ দময়ন্তী মেধি
১ম বাৰ্ষিক, স্নাতক মহলা
( কলা )

মাজে মাজে অজানিতে অপ্ৰত্যাশিতে
ধুমুহা বলে মোৰো পদূলিৰ আশে-পাশে
কিবা এক বুজিব নোৱাৰা
বুজাব নোৱাৰা অনুভৱে
নৈ পাৰৰ কহুৱা বনৰ দৰে
কঁপাই তোলে মোৰ সমস্ত সত্তা
বিশাল জলধাৰাত যেন
এই উঠো এই বুৰো
মোৰ অস্তিত্ব ;
তথাপিও
প্ৰতিবাৰে
অবিচল অক্ষয় বন্তি এগছিৰ দৰে
সম্মুখত বৈ থাকে
এটি প্ৰতিজ্ঞা—
সেই প্ৰতিজ্ঞা
অসুন্দৰ নাশি সুন্দৰ প্ৰতিষ্ঠা কৰাৰ।

—:●:—

# ঃ শ্ৰোতা বিচাৰি ঃ

—দিলীপ দাস
মুখ্যৱী অধ্যাপক, ইংৰাজী বিভাগ।

কাক শুনাওঁ হিয়াৰ বতৰা !
উভতি চাব নোৱাৰো।
হিয়া কঁকৰায় ;
আকাশচানি জ্বলা জুইৰ মাজত দেখা পাওঁ
সেউজী পথাৰ, বাংচালী গাভৰুৰ জাক, ন-পানীৰ মাছ
মাঘৰ মেজি, উৰুকাৰ ভোজ, সাত বিহুৰ উছৱ
নামঘৰৰ দবা-কাঁহ, সবাহ, ভাওনা-বচন
শিশুৰ আবদাৰ, আইতাৰ সাধু
দেউতা-মাৰ সপোন. আমাৰ নিৰহনিপানী চেষ্টা
জীৱন গঢ়াৰ, সমাজ গঢ়াৰ আৰু কত কি ··

আগলৈ চাব নোৱাৰোঁ।
কলপাত কঁপাদি কঁপে হিয়া
ক্ষণ প্ৰতিক্ষণ।
এইখন হিয়া হিয়া হৈ আছেনে বাৰু ?
পথাৰ এতিয়া যেনেকে আৰু
সোণ গজা পথাৰ হৈ থকা নাই
নৈ এতিয়া যেনেকে আৰু
উলাহত মাছ উজাই অহা নৈ হৈ থকা নাই
বালিচৰ এতিয়া যেনেকে আৰু
হেঁপাহৰ বালিভোজ খোৱা বালিচৰ হৈ থকা নাই
হিয়া এতিয়া চ'তৰ ছিৰাল-ফটা পথাৰ
কপাল এতিয়া জুই-লগা কপাল
কাক কওঁ
কাক শুনাওঁ হিয়াৰ বতৰা !

—ঃ × ঃ—

# গল্প

## ৰেঙণি

—দ্বিজেন্দ্ৰ কুমাৰ দাস
স্নাতক, প্ৰথম বাৰ্ষিক।

টং টাং টট্ টটসং টললং...। কাঁচৰ বটল কেইটা খোজৰ তালে তালে ঠেকা খাই এক অশ্ৰাব্য সুৰ-সমলয়ৰ সৃষ্টি কৰিছে। তালৈ মুহি-ধৰৰ অকণো ভ্ৰূক্ষেপ নাই। গোটেই দিনটো হাৰভঙা পৰিশ্ৰম কৰি ক্লান্ত হৈ পৰাত সি কোনো-মতে ঘৰ পালেই ৰক্ষা। গধূলিৰ সময়ত বজাৰ-খনত হোৱা কোঁহাল আৰু হাই-উৰুমিৰ পৰা কোনোমতে মুক্ত হৈ এটা স্বস্তিৰ নিশ্বাস টানি তাক লগা দুই এপদ বস্তু কিনি লৈ সেয়ে সি খোজ লৈছে ঘৰলৈ বুলি। মাছৰ পাচিটো এবাৰ ভালদৰে ঠিক কৰি ল'লে। পাচিটোৰ তলিতে বিক্ৰি নোহোৱা গেলা-পচা ধৰণৰ দুই এটা মাছ লাগি আছে। তেলৰ বটল কেইটাৰ ডিঙিত মৰাপাটৰ সৰু বছি বান্ধি অনা-নিয়াৰ সুবিধাকণ সি কৰিয়ে লৈছে। বাওঁহাতৰ কান্ধত বান্দৰ ওলোমা দি আছে সেই চিনাকি মোনাখন। মোনাখন ফাটিছে যদিও একো অসুবিধা নাই—বস্তু পৰি নাযায়। তাপলি মাৰি প্ৰায় নতুনেই কৰি লৈছে। মাজে মাজে হাতখনে মোনাখন খেপিয়াই চায়—এনেয়ে। ল'ৰা-ছোৱালী হালৈ জুজোৰ নতুন পোছাক আৰু নিজৰ মানুহজনীলৈ এটি ৰঙা ব্লাউজ কিনি আনিছে। মোনাখনৰ ভিতৰলৈ বাওঁহাতখন সুমুৱাই দি পেকেট-টোত হাত দিলত তাৰ মনটো এক অবুজ আনন্দত নাচি উঠিল। মুখতো এক তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল। এনেতে পিচপিনৰ পৰা চাইকেলৰ টিলিঙা বজাই মানুহ এজনে মাত লগালে—"বোলো, মুহিকাই নহয় নে?" "এৰাও', তইনো কলৈ গৈছিলি?" "বজাৰলৈকে গৈছিলো" বুলি কৈ মানুহজন চাইকেলেৰে আগবাঢ়ি গুচি গ'ল।

ছয়গাঁৱৰ নিকটবৰ্ত্তী কুকুৰমাৰা বজাৰ চ'কৰ পৰা ৩৭ নং ৰাষ্ট্ৰীয় পথৰ উত্তৰে তিনি কিলো-মিটাৰ দূৰত মুহিধৰৰ ঘৰ। কুকুৰমাৰাৰ গধূলি বজাৰত মাছ বিক্ৰি কৰাটো তাৰ নিত্যনৈমিত্তিক কৰ্ম। দিনৰ দিনটো মাছ-পুঠি যোগাৰ কৰি আবেলি বজাৰলৈ আনি বিক্ৰি কৰি পোৱা পইচাখিনিৰে চাউল-পাতখিনি কিনি লৈ ঘৰলৈ উভতিবৰ হয় মানে সন্ধিয়া প্ৰায় আঠ মানেই বাজে। কেতিয়াবা বতৰ বেয়া হ'লে বা বিক্ৰি ভাল নহ'লে আৰু বেছি পলম হয়। অৱশ্যে আজিৰ কথা অলপ বেলেগ। গ্ৰাহকৰ বৰ ভিৰ হোৱাত বিক্ৰি বৰ সোনকালে হ'ল আৰু দামো কিছু বেছি পালে। সেয়ে বজাৰ সামৰি বয়-বস্তুখিনি অতাঁই লৈ আন

দিনাতকৈ অলপ সোনকালে গবলৈ খোজ লৈছে। কেঁচা আলিবাট যদিও কেইমাহ মান আগতে শিল-গুটি কিছুমান পেলোৱাত খোজ কাঢ়ি যোৱাত অসুবিধা নোহোৱাকৈ থকা নাই। মুকলি পথাৰৰ মাজে মাজে এঁকা-বেঁকাকৈ বান্ধি যোৱা আলি-বাটটো জোনৰ পোহৰত দীঘল চাদৰ এখন পাৰি থোৱাৰ দৰে লাগিছে। কেউপিনে নীৰৱতা। ঝিলিৰ মাতে পৰিবেশটো আৰু বেছি গভীৰ কৰি তুলিছে। ভৰিত লাগি ছিটিকি যোৱা শিলে শিলে খুন্দা খাই কেতিয়াবা নীৰৱতা ভঙ্গ কৰিছে মাত্ৰ। মুহি-ধৰ গৈ আছে গুজুং গুজুংকৈ। শীতল-জুৰ বতাহ একোছাটিয়ে মাজে মাজে তাৰ গা-টো শাঁত লগাইছে। মুহিধৰে বৰ আৰাম অনুভৱ কৰিলে। আজি পুৱাৰে পৰা তাৰ মনটো কমতো উগুল-থুগুল হোৱা নাই। কালিলৈ সি ছোৱালী-জনীক স্কুলত নাম ভৰ্তি কৰি দিয়াৰ কথা। জন্মৰ ছাৰ্টিফিকেটখন নহ'লে নাম ভৰ্তি নহ'ব বুলি স্কুল-খনৰ হেড্ পণ্ডিতে তাক আগতেই কৈছিল। গাঁৱৰে তৰুণ উকিলক ধৰি অলপ টকা-সিকা দি ইতিমধ্যে সেইখন সংগ্ৰহ কৰি থৈছে। আৰু লাগিল পোছাক-পৰিচ্ছদখিনি আৰু গোসাঁইৰ থাপনাত আগ-বঢ়াবলৈ বুট-মুগু কেইটামান। সি নিজকে নিজে ভাবে, "হয় আমি সঁচায়ে বৰ মূৰখ মানুহ, মাছ বেচিছো আৰু শাকে শুকুতাই যি পাইছো খাইছো। আজি-কালিৰ আও-ভাওনো জানো কেনেকৈ ?" ল'ৰা-ছোৱালীক স্কুলত ভৰ্তি কৰিবলৈ জন্মৰ ছাৰ্টিফি-কেটৰ পৰা আৰম্ভ কৰি গোসাঁইৰ থাপনাত আগ-বঢ়াবৰ কাৰণে যে বুট-মগুলে ইমানবোৰ বস্তু লাগে সেইটো মুহিধৰে কল্পনাই কৰিব পৰা নাছিল। নিজৰ ল'ৰা-ছোৱালী হালৰ লগতে তাৰ যেন নতুন শিক্ষা আৰম্ভ হ'ল।

বাটত গৈ থাকোঁতে মুহিধৰৰ চকুৰ আগত ভাহি উঠিল এখনি ছবি—যত তাৰ ল'ৰা-ছোৱালী হালে স্কুলীয়া কাপোৰ সাজেৰে সমনীয়াৰ সৈতে খেলি আছে। সি কিনি অনা কাপোৰ দুজোৰ পিন্ধি দৌৰি আহি যেন সুধিছে --"চা-চোন পিতাই আমাক কিমান ভাল দেখা হৈছে! ইমান ভাল কাপোৰ এইয়া।" সি অনুভৱ কৰিলে ল'ৰা-ছোৱালী হাললৈ দুজোৰ পোছাক কিনি অনা-টোৱেই তাৰ জীৱনৰ চৰম সাফল্য। সিহঁত হালেই তাৰ প্ৰেৰণাৰ থল—আনন্দৰ উৎস। আৰু সিহঁত হালৰ মাক মনন্তৰা।

মুহিধৰৰ মনটোৱে ঢাপলি মেলিলে তাৰ অতীত জীৱনলৈ। মনত পৰিল "ভালুৰৈ পাৰা" নামৰ সৰু গাঁওখনৰ কথা। সেই গাঁৱতেই সি পিতাকৰ সৈতে মাছৰ ব্যৱসায় আৰম্ভ কৰিছিল। মন-তৰাকো এদিন পলুৱাই আনি সি ঘৰত সুমুৱাইছিল হি। তাৰ স্মৃতিপটত আৰু ভাহি উঠিল তাৰ জীৱনৰ সেই বিপৰ্যয়ৰ দিনটোৰ কথা। গাঁৱৰ সকলো মানুহ মিলি সেইদিনা বৰ-লুইতত মাছ মাৰিব গৈছিল। মাছুৱৈ সকলৰ মাজত প্ৰবল আনন্দ-উত্তেজনা। কোনে কিমান মাছ ধৰিছিল তাৰ হিচাপ নোহোৱা হৈছিল। কিন্তু হঠাতে অহা ঘূৰ্ণী ধুমুহা জাকে মুহূৰ্ত্তৰ ভিতৰতে সকলো শেষ কৰি দিলে। মাছৰতো কথাই নাই. নাও ডুবি কিমান মানুহ মৰিল কিমান বাচি থাকিল সেই সময়ত তাৰ হিচাপ নোহোৱা হৈছিল। তাৰ পিতাকো নিখোজ হ'ল বৰলুইতৰ বুকুত। সি

ভাৱি নেপাইছিল সি কেনেকৈ বাচি গ'ল। তাৰ মনত পৰে জালুৰৈ পাবাত সেইদিনা কেনেকৈ ক্ৰন্দনৰ ৰোল বৈ গৈছিল। ববলুইতৰ ক্ষুধা যেন তাতে শেষ হোৱা নাছিল। কিছুদিনৰ পাছতে জালুৰৈপাবা গাঁওখনকো লুইতে নিজৰ পেটত সুমুৱাই থলে। ··· ··· কথাবোৰ মনলৈ অহাৰ লগে লগে মুহিধৰৰ যেন বুকুভেদি ওলাই আহিছিল এটি তপত হুমুনিয়াহ। হঠাতে বুঢ়া আঙুলিত লাগি শিল এটা ছিটিকি পৰিল। অলপ সময় উহ্! আহ! কৰি মুহিধৰে পুনৰ খোজ ললে।

"দিন কাল যিহে হৈছে—বস্তুৰ যি জুই-ছাই দাম! মাছ বেচা পইচাৰে চলাটো টানেই হৈ পৰিছে। খাল, বিল, দোংবোৰো দিনক দিনে পোত খাই আহিছে। যি দুই এটা আছে সেইবোৰো মুষ্টিমেয় দুই এজনৰ হাতত। মাছ মাৰিবলৈ ঠাই নোহোৱাই হ'ল। তাতে আকৌ মহামাৰী সদৃশ মাছৰ বেমাৰটো চাৰিওফালে ছাটি পৰিছে।" — ইত্যাদি নানান ভাবে মুহিধৰৰ খোজৰ তালে তালে মনত দোলা দি থাকিল। জীয়াই থকাৰ হেপাহে মুহিধৰৰ মনটো সজীৱ কৰি তুলিছে। বাস্তৱ জীৱনৰ সংঘাতে মুহিধৰক বহু শিকাইছে। তাৰ মনটো অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ চাকনৈয়াত পৰি পাক ঘূৰণি খাব ধৰিলে। মুহিধৰে ভালকৈয়ে উপলব্ধি কৰিলে যে উন্নতিৰ প্ৰধান অন্তৰায় এটা হ'ল নিৰক্ষৰতা।

কথাবোৰ ভবি ভাবি গৈ থাকোঁতে তিনিআলি চ'কটো এৰি কেতিয়া যে তাৰ গাঁৱৰ ৰাস্তাটোত সোমাল সি কবই নোৱাৰিলে। মদাহী নাগেশ্বৰ আৰু ঘৈণীয়েকৰ বিশৃংখল অবাইচ গালি-গালাজে মুহিধৰক বাস্তৱলৈ লৈ আহিল। নাগেশ্বৰৰ ল'ৰা ছোৱালী কেইটাৰ কথা ভাবি তাৰ বেয়াও লাগিল। কেইনলমান গৈয়েই ৰাস্তাৰ বাওঁপিনে থকা ৰাজহুৱা নামঘৰৰ সমুখ পোৱাত তাৰ গা-টো সিৰ্ সিৰাই গ'ল। ওচৰতে থকা প্ৰকাণ্ড আঁহত জোপাই পৰিবেশটো জঁয়াল কৰি ৰাখিছে। মুহিধৰে নামঘৰৰ ফালে চাই সেৱা এটি জনাই প্ৰাৰ্থনা জনালে, "মোক শক্তি দিয়া প্ৰভু! ল'ৰা-ছোৱালী দুটিক যেন মানুহ কৰি তুলিব পাৰো। আমি বৰ অজ্ঞানী মানুহ। গাঁৱৰ মানুহখিনিও বৰ মুকখ। সিহঁতকো প্ৰভু সুমতি দিয়া।" এই বুলি আৰু এটি সেৱা জনাই মুহিধৰে খোজ ললে। দূৰৈত কেইটামান শিয়ালে হোৱা হোৱা কৰিছে। তাকে শুনি কুকুৰবোৰেও ভৌ-ভৌৱাই উঠিছে। কুকুৰৰ ভৌ-ভৌৱনিত শিয়ালবোৰে নিতাল মাৰিলে। আলি কেঁকুৰিটো পাৰ হ'লেই সোঁপিনে মুহিধৰৰ ঘৰ। মুহিধৰে অলপ বেগাই খোজ পেলালে। পদূলিৰ জপনাখন খুলিব খোজোঁতেই চোতালৰ পিনে চকু পৰাত সি থৰ লাগি ৰ'ল।

চোতালৰ মাজতে চাৰি এখন পাৰি চাৰি এটিৰ ওচৰত ল'ৰা-ছোৱালী হালে আখৰ পঢ়ি আছে। ওচৰতে বহি মন-ভৰাই এৰি সূতা কাটিছে। তাই মাজে মাজে গাৰ ছাদৰখনৰেই ল'ৰা-ছোৱালী হালৰ গাত পৰা মহ খেদি দিছে। জ্বলি থকা চাকি গছিৰ পোহৰত সিহঁত দুটিৰ শান্ত কোমল মুখ দুখন জিলিকি আছে।

মুহিধৰৰ কাণত পৰিলেহি—ল'ৰাটোৱে পঢ়ি আছে "পাৰ চৰাই উৰি গৈ পালে নদীৰ পাৰ

সময় গৈছে উৰি ঠিক ঠিক ঠিক" ছোৱালী-জনীয়েও পঢ়িছে ক খ গ ।

এই দৃশ্যটি চাই থাকোঁতে মুহিধৰৰ দিনটোৰ দুখ-ভাগৰ যেন নিমিষতে আঁতৰি গ'ল। এক অজান পুলকত ভাব মনটো ভৰি পৰিল। জপনা-খন খুলি আকাশখনলৈ এবাৰ চাই মনৰ মাজতে সি কৈ উঠিল, "পূর্ণিমালৈ আৰু বেছি দিন নাই।"

---

। যিজনৰ নিজৰ ওপৰতে বিশ্বাস নাই তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে।

মহাবীৰ নেপোলিয়ন

---

বুঢ়া-বুঢ়ী, ৰোগী-ভোগী প্ৰত্যেকজন আৰু প্ৰত্যেক জনী ভাই ভনীৰ স্বাৰ্থ, অধিকাৰ আৰু মঙ্গললৈ সম দৃষ্টি ৰাখি, মোৰ নিষ্কলঙ্ক নীতি আৰু নিঃস্বাৰ্থ কৰ্ম্মোদ্যম—মোৰ সকলোৰে লগত হৃদয়ৰ সংযোগ ঘটাই একেটা দেশ জাতিগত অভঙ্গুৰ স্বাৰ্থৰ গোটত জাতিটোক লাড়ু বান্ধি লবলৈকে। মোৰ ভাষা সাহিত্যক বিশ্ব বৰেণ্য ৰূপত গঢ় দি তুলিবলৈকে

···এনে ক্ষমতাটোহে মোক লাগে।'

—অম্বিকাগিৰী ৰায় চৌধুৰী

---

# ঃ পখিলা পাখিৰ ৰং ঃ

—ললিত চন্দ্ৰ ৰাভা
স্নাতক, ২য় বাৰ্ষিক।

ৰাতিপুৱা উঠিয়ে তাই ৰাহী-বন খিনি কৰি ল'লে। আগদিনাই বাথৰুমত পেলাই থোৱা কাপোৰখিনিত চাবোন মাৰিবলৈ লৈছেহে মাথোন; মিচেচ কাকতিয়ে বিচনা এৰি ভোকাতুৰ বাঘিনী-জনী অহাদি আহি চকু পকাই সুধিলে—

"টুথ পাউদাৰৰ টেমাটো ক'ত ?" পাউদাৰৰ টেমাটো আনি হাতত দিওঁতে অলপ পলম হোৱাটো তাইৰ অপৰাধ। শাস্তি—দুয়ো গালত দুটা কাণ-তলীয়া চৰ। ৰিৰাই থকা গাল দুখন হাতেৰে পিঁহিলে যদিও তাই অলপো আচৰিত হোৱা নাই। কিয়নো তাই মানে "ৰান্নুই" বিদিনাৰ পৰা এই ঘৰখনত বন কৰা ছোৱালী হিচাপে আছে সেইদিনাৰ পৰা তাই প্ৰায়ে এনে ব্যৱহাৰকে পাই আহিছে। মিচেচ কাকতিৰ এই ব্যৱহাৰ তাইৰ অতিকে চিনাকি।

কেতিয়াবা তাইৰো প্ৰতিবাদ কৰিবৰ মন যায়। যেন চিঞৰি চিঞৰি ক'ব—তেওঁলোকৰ দৰে তাইৰো দেহ তেজ-মঙহেৰে গঠিত। তাইৰো ··। কিন্তু একো ক'ব নোৱাৰে। মাথোন চকু দুটা সিক্ত হৈ উঠে।

তাই সদায়ে কান্দে। আজিও কান্দিলে। কিন্তু কান্দিলেই জানো তাইৰ কামবোৰ কৰা হৈ যাব ? নিজৰ কামখিনি তাই কৰিবই লাগিব। সেয়ে তাই পুনৰ বাথৰুমত সোমাই বাকীথকা কাপোৰখিনি ধুই মেলি ঘৰৰ পিছফালে থকা তাঁৰত আঁৰি দিলে।

ভিতৰৰ পৰা মিচেচ কাকতিয়ে বাঘে গোঁজৰা দি পুনৰ মাত লগালে—'ৰান্নু'। ৰান্নুৱে ৰুকটোত হাতখন মচি ভিতৰলৈ দৌৰি গ'ল। মিচেচ কাকতিয়ে 'তৰা'ক বাহিৰলৈ লৈ আনিব দিলে। বিছনাতে কান্দি থকা 'তৰা'ক আলফুলকৈ তাই দাঙি লৈ আহিল। 'তৰা' মিচেচ কাকতিৰ এক-মাত্ৰ কেচুৱা। তৰা এতিয়া খোজ কাঢ়িব পৰা হৈছে যদিও মনৰ আনন্দতে কেতিয়াবা একোবাৰ দৌৰিব খুজি লুটি খাইও পৰে। মিঃ কাকতি আৰু মিচেচ কাকতি কামলৈ ওলাই যোৱাৰ পিছত অকণমানি তৰাজনীয়ে ৰান্নুক আপোন পাহৰা কৰি ৰাখে।

কিন্তু আজি তৰাক কোলাত লৈ ৰান্নুই অকণো শান্তি অনুভৱ নকৰিলে। কিবা যেন এক অবুজ বেদনাই মনটো ভাবাক্ৰান্ত কৰি তুলিলে। এৰি অহা দিনবোৰৰ কথা বাৰে বাৰে তাইৰ মনলৈ আহিল আৰু অতীতৰ সেই দিনটোৰ কথা মনলৈ অহাৰ লগে লগে তাই যেন ভয়ত শিঁহৰি উঠিল। সেই দিনটোৰ কথা হয়তো তাই জীৱনত কেতিয়াও পাহৰিব নোৱাৰিব। তাইৰ মনত ভাঁহি উঠিল

সেই দিনাখনৰ কথা। নদীৰ বাঢ়নি পানীয়ে হঠাতে মথাউৰি ভাঙি কেনেকৈ এফালৰ পৰা গাঁও-ভূই-বোৰ বুৰাই পেলাইছিলহি। ভয়ত — ত্ৰাসত মানুহ-দুনুহ পশু-পক্ষীৰ মাত গিৰ্থাতে নোহোৱা হৈছিল। বানৰ পানীয়ে অগণন মানুহ-গৰুক উটুৱাই নিছিল। সৰুতে মাতৃহাৰা হোৱা তাইয়ো দেউতাকৰ সৈতে বানত উটি গৈছিল। উদ্ধাৰকাৰী দল আহি সিহঁতক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল যদিও অসুস্থতাত ভুগি থকা দেউতাকে ইতিমধ্যে মৃত্যুক সাৱটি লৈছিল। তাই সেইদিনা কাবত দেউতাকৰ নিঠৰ দেহটো দেখিও কান্দিব পৰা নাছিল। ভাবিব পৰা নাছিল প্ৰকৃতিৰ নিৰ্মম-নিষ্ঠুৰতাৰ কথা। চকুৰ আগত দেখিছিল কেৱল মবাশ'ৰ দৰে আৰু সাগৰ সদৃশ বানপানী।

সময় আগবাঢ়িছিল। বানপানীও ক্ৰমে শুকাব লৈছিল। নদীৰ খহনীয়াত পৰি গৃহহীন হোৱা লোক সকলক কিছুদিনলৈ ৰিলিফ কেম্পতে ৰখাৰ ব্যৱস্থা কৰিছিল। সেই কেম্পৰ পৰাই ৰানুক বুটলি আনিছিল ৰিলিফ দিবলৈ যোৱা চৰকাৰী কৰ্মচাৰী মিঃ কাকতিয়ে। ৰানুক পাই মিঃ কাকতিয়ে যেন হাততে স্বৰ্গ ঢুকি পাইছিল। বন-কৰা ছোৱালী এজনী বিচাৰি তেওঁতো ইমান দিন কম হাবাথুৰি খোৱা নাছিল। ছোৱালী এজনী বিচাৰি আনি দিব নোৱাৰাৰ কাৰণে মিচেচ কাকতিৰোতো কম খেচ-খেচনি শুনা নাছিল। অসহায়া ছোৱালী-জনীক এইদৰে উদ্ধাৰ কৰি অনাত ৰিলিফ কেম্পৰ মানুহখিনিয়েও মিঃ কাকতিক বাঃ বাঃ দি শলাগিছিল।

নতুন ঠাই, নতুন ঘৰ, নতুন পৰিৱেশ—এই সকলো ৰানুৰ প্ৰথমতে বৰ আচহুৱা লাগিছিল। অৱশ্যে অলপ দিনৰ ভিতৰতে তাই সকলো চম্ভালি লৈছিল যদিও আহিৱৰ দিন ধৰি মিচেচ কাকতিক তাই বাঘ দেখাদি দেখিছিল। মানুহ গৰাকীক কেনেকৈ সন্তুষ্ট কৰিব পাৰিব সেইটোৱে তাইৰ প্ৰধান চিন্তা হৈ পৰিছিল। মানুহ গৰাকীৰ ৰুক্ষ ব্যৱহাৰ দেখি তাইৰ মনত প্ৰশ্ন জাগে। তাইৰনো দোষটো কি? "অভাৱ অনাটনত জীয়াতু ভুগি কোনোবা দৰিদ্ৰ পিতৃ-মাতৃয়ে নিজৰ ল'ৰা ছোৱালীক লোকৰ ঘৰৰ একেলা-উকতাকে ৰখাটো নহ্বা প্ৰকৃতিৰ নিষ্ঠুৰতাৰ বলি হৈ কোনোবা কাৰোবাৰ ঘৰত চাকৰ হৈ থকাটো জানো পাপ হয়? এই পাপৰ প্ৰায়শ্চিত্তৰ কাৰণে জানো সদায় গালি-শপনি শুনি মানসিক অশান্তি ভুগি থাকিব লাগিব? গিৰিহঁতনীৰ পৰা ভাল মাত — ভাল ব্যৱহাৰ অলপমান সিহঁতৰ জানো কপালত লিখা নাথাকে? কিয় তাই এতিয়াও ইমান গালি-শপনি, চৰ, ভুকু, কিল খায়ো কাকতিৰ ঘৰ এৰি যাব পৰা নাই? তাই একো উত্তৰ নাপায়। মাথো ভাবে কাম কৰা চাকৰণী হলেও তাইৰোতো এটা দেহ-মন আছে।

···মিঃ কাকতিয়ে নতুনকৈ আৰম্ভ কৰা ঘৰটোৰ কাম বন্ধ ৰখা আজি ভালে কেইদিনে হ'ল। ঘৰটোৰ কাম চলি থাকোঁতে ৰানুৰ বৰ ভাল লাগি আছিল। অন্ততঃ এটা ব্যস্ততাত আছিল। সময়ে সময়ে চাহ-তামোল বা পানী গিলাছৰ যোগান ধৰাতে। কেতিয়াবা তৰাক লৈয়ে মিস্ত্ৰীয়ে কৰা কামৰ ইটো-সিটো এনেয়ে চাইছিল। কামৰ মাজে মাজে মিস্ত্ৰীৰ যোগালী ল'ৰাজনে ৰানুৰ

কাণ্লে সঘন দৃষ্টি নিক্ষেপ কৰি থকাটো তাইৰ কিন্তু চকুত নপৰাকৈ নাছিল। কেতিয়াবা দুয়োৰে দৃষ্টি চকুৰে চকুৰে পৰোতে তাই লাজত তলমূৰ কৰিছিল যদিও অন্তৰত কিবা পুলক অনুভৱ কৰিছিল। থৌকি বাথৌ মনটো দমাব নোৱাৰি পানী দিয়াৰ চলেৰে এদিন বানুই তাক সুধিয়ে পেলালে—"চকুত লাগিছে নেকি ?" কথাষাৰ কোৱাৰ পাছৰ পৰাই যেন তাইৰ মনটো চঞ্চল হৈ পৰিল। অন্তৰৰ নিভৃত কোণত অহৰহ প্ৰতি-ধ্বনিত হৈ থাকিল এষাৰ কথা "চকুত লাগিছে নেকি ?"

···ল'ৰাজনৰ নামটো এনেয়ে এবাৰ মনত ভাবিলে তাই। নাকটো অলপ মোহাৰি কল্পনা কৰি চালে—কেনে হ'ব ল'ৰাজন। নিশ্চয় চাগে বেয়া নহ'ব। এখন বহল বুকু আৰু দুখন কৰ্মঠ হাত অন্ততঃ তাৰ আছে। কথাটো ভাবি বানুই নিজকে বৰ নিৰাপদ অনুভৱ কৰিলে। "ও বলোৰাম" তাৰ নামটো হঠাতে তাইৰ মুখৰ পৰা ওলাই আহিল। কোনোবাই শুনা বুলি তাই ইফালে-সিফালে এবাৰ ঘূৰি চালে। ইতিমধ্যে তৰাই কোলাৰ পৰা নামি পখিলা এটি ধৰিবলৈ পিছে পিছে গৈ আছিল।

"তৰা দূৰলৈ নাযাবা। ঘূৰি আহা।" তৰাই কিন্তু একো নুশুনা ভাও ধৰি পখিলাটিৰ পিছে পিছে গৈয়ে থাকিল। বানুৱে জোৰকৈ চিঞঁৰি মাতিলে—তৰা তৰা ঘূৰি আহা।

'ৰুণ"! তাই ফিৰি চালে। বলোৰামক চিনি'লৈ অকণো অসুবিধা নহ'ল। মুখেৰে একো মাতিব নোৱাৰিলে। লাজতে ৰঙা-চিঙা পৰিল। "তাইক পখিলাটি ধৰিব দিয়া।"

"কিয় ?" লাজত আৰু একো ক'ব নোৱাৰিলে বানুই। 'কাৰণ, এয়াই তাইৰ আনন্দ কৰাৰ সময়।" বলোৰামে অভিজ্ঞ ব্যক্তিৰ দৰে ক'লে।

'তুমি কিয় আহিছা ?" "এতিয়া বাবুতো ঘৰত নাই।" "বাবুৰ লগত সকাম নাই অ' ৰুণ!" "তেনেহ'লে কিয় আহিছা।" তাই অলপ উচ্-পিচাই উঠিল। "নহয় অ'—মই এটা বিশেষ কামতহে আহিছো।" বানুৱে পুনৰ তৰাক মাতিলে, "তৰা উভতি আহা।"

"জান ৰুণ! মাৰ অসুখৰ বাবে আলপৈচান ধৰিব লগা হৈছে যদিও সেইটো মোৰ কাৰণে একো টান কাম নহয়।" "কিন্তু সমস্যা হৈছে"—বলোৰামে কওঁ নকওঁ ভাৱত মনে মনে থাকিল। "তেতিয়া হ'লে সমস্যা কি ?" বানুৱে সুধিলে।

"নহয় অ' মানে মই যদি কাম কৰিব নেযাওঁ তেতিয়া আমি পৰিয়াল দুটি নেখাই মৰিব লাগিব। সমস্যাটো তাতেই।" "আলপৈচান ধৰাকৈ মানুহ এটা ৰাখিলে হ'ল দেখোন।" তাই সহজভাৱে ক'লে।

বলোৰামে ক'লে—"ৰুণ, মই বেলেগ কথা এটা ভাবিহে ইয়ালৈ আহিছো। মায়েও বহু দিনৰ পৰা তাকেই কৈ আছে।" "তেতিয়া হ'লে সেইটোকে নকৰা কিয় ?" তাই ক'লে। বানুৱে মনৰ ভাব বুজিব পাৰি বলোৰামে এইবাৰ খোলা-কৈয়ে ক'লে- "তই যদি বেয়া নাপাৱ আৰু তোৰ যদি আপত্তি নাথাকে মই তোক বিয়া কৰাব খোজো।" "অ' মায়ে তোলৈ বুলি এয়া কিবা দি পঠিয়াইছে" বুলি বলোৰামে টোপোলা এটি তাইৰ হাততে দিলে। বানুৱে বলোৰামক তেতিয়া একো ক'ব পৰা নাছিল। লাজতে কথাবোৰে

গোট মাৰিছিল। তাই নিজৰ ভাবত বিভোৰ হৈ থাকিল। বলোবামে টোপোলাটি হাতত দি কেতিয়া গুচি গ'ল তাই তলকিবই নোৱাৰিলে।

"এইয়া চোৱা, ধৰিলো মই পখিলাটি" তবাৰ গাতত বান্নুই মূৰ তুলি চাই দেখে যে তাইৰ হাতৰ চেপাত পখিলাটিৰ গাৰ ৰংবোৰ গোটেই এবাই গৈছে। "চাওঁ—পখিলাটি এৰি দিয়া" বুলি বান্নুই তৰাৰ হাতৰ পৰা একৰাই দিব খুজিলে। "নিদিওঁ মই" বুলি তৰাই জেদ ধৰিলে।

হঠাতে এটা বিকট চিঞৰৰ মৰাৰ শব্দ শুনি তৰাই ভয়তে পখিলাটি এৰি দি বান্নুৰ গাত সাৰটি ধৰিলে। আধামৰা পখিলাটি ছটফটাই তাতে পৰি থাকিল।

তৰাক হাতত ধৰি বান্নুৱে এখোজ দুখোজ কৰি আগবাঢ়ি গৈ মানুহৰ জুমটোৰ মাজত দেখিলে এইমাত্র তাইৰ কাষৰ পৰা ঘৰলৈ বুলি ওলাই যোৱা সুঠাম দেহৰ বলোবাম মাকতি গাড়ী এখনৰ খুন্দাত তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আছে নিশ্চল হৈ ৰাস্তাৰ ওপৰতে। তাই আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলে। দুচকু ভৰি বুকু ভাগি যোৱা ক্রন্দন ওলাই আহিল। তাইৰ চকুলোৰ লোতকত তেতিয়া পখিলা পাখিৰ ৰংবোৰ এটি এটিকৈ উটি গৈছিল। ×

---

[ "বিচৰা বস্তুটো নোপোৱাটোৱেই ব্যৰ্থতা নহয়, বিচৰা বস্তুটো পাবলৈ সংগ্ৰাম এৰি দিয়াটোহে প্ৰকৃত ব্যৰ্থতা।"—জৰ্জ ইলিয়ট। ]

# ॥ শুধৰণি ॥

—হীৰামণি বৰা
১ম বাৰ্ষিক, উচ্চতৰ মাধ্যমিক।

……আকাশখন ডাৱৰে ৰবকৈ ঢাকি ধৰিছে। ডাৱৰ আঁতৰাই আকাশখন মুকলি কৰিবলৈ বতাহ জাকে আপ্ৰাণ চেষ্টা কৰিছে। তাৰ মাজেদিয়েই সূৰুযে নিজৰ উজ্জ্বল পোহৰ একোধাৰি সিঁচি আছে। কিন্তু ক্ষণিক সময়ৰ বাবেহে। হয়তো অলপ পিচতেই তীব্ৰবেগে ৰবষুণ আৰম্ভ হ'ব। খিড়িকিৰে আকাশৰ এনে বিচিত্ৰ ৰূপ চাই চাই মই দীপাঙ্কৰৰ কথাকেই চিন্তা কৰি আছো। যদি ৰবষুণ খুব বেছিকৈ আহে তেতিয়াতো দীপাঙ্কৰ অহাত দেৰিও হব পাবে! হয়তো নাহিবও পাবে! কিন্তু দীপাঙ্কৰ জানো নহাকৈ থাকিব পাৰিব। নাই নাই ই কেনেকৈ সম্ভৱ হ'ব। খিড়িকিখন হঠাতে বতাহে ঢপ্‌কৈ জপাই দিয়াত মই সম্বিত ঘূৰাই পালো।

আজি এমাহেই হ'ল মেডিকেল কলেজ হস্পিতেলৰ ৩৭ নং বেডত মই পৰি আছো। মৃত্যু সমাগত বুলি জানিও বেমাৰৰ সৈতে যুঁজি আছো। মা-দেউতাইও সদায় আহি থাকিব নোৱাৰে। নহাকৈও নোৱাৰে। নিজৰ সন্তান এটি যমে কাঢ়ি নিনিয়ালৈকে কেনেকৈ এৰে। চিষ্টাৰইঁতে অৱশ্যে মোক খুব মৰম কৰে। মই লক্ষ্য কৰিছোঁ আন আন ৰোগীতকৈ মোক অলপ বেছি গুৰুত্ব দিয়ে। অলপ আগতে চিষ্টাৰ আহিছিল। কপালত হাত এখন থৈ আনখন হাতেৰে নাৰ্ভ পৰীক্ষা কৰি উঠি কৈছিল—"দীপা তুমিতো বহু ভাল হৈ গলা। পথ্যবোৰ খাই আছাই নহয়। দুই এদিনতে ৰিলিজ হবা। আৰু এটা কথা—মোৰ আইন ঠাইত ডিউটি পৰিছে। তোমালৈ শুভেচ্ছা থাকিল।"

চিষ্টাৰৰ ডিউটি সলনি হয়। এজনীৰ পিচত আন এজনী আহে। মৰম কৰে। বহুখিনি মই ভাল হোৱা বুলি কয়। কিন্তু মই জানো প্ৰকৃততে ভাল হৈছো? চিষ্টাৰইঁতৰ এই মৰম, "মই বহুত ভাল হৈছো" বোলা সান্ত্বনা বাণীৰ মূলতেই হল দীপাঙ্কৰ। ডাঃ দীপাঙ্কৰ গগৈ। যাৰ নিৰ্দেশত বাঢ়ি যায় চিষ্টাৰইঁতৰ শুশ্ৰূষা আৰু সান্ত্বনাবাণী। যাৰ সান্নিধ্যত মই পাওঁ জীয়াই থকাৰ প্ৰেৰণা।

মেডিকেল হস্পিতেলত ভৰ্তি হোৱাৰ পিচত মোৰ চিকিৎসাৰ ভাৰ ডাঃ দীপাঙ্কৰৰ ওপৰতে পৰে। প্ৰথম চিনাকি হয় শৰীৰৰ পৰীক্ষা কৰিবলৈ আহোঁতে সোধা দুই এটা কথাৰ মাজেৰে। মোৰ হাতখন হাতত লৈ নাৰ্ভ চাই চাই ডাঃ দীপাঙ্কৰে সুধিছিল—"তোমাৰ নাম?" লাজ সনা মাত-চাঁৰনিৰে কৈছিলো—"দীপা।" ডাক্তৰে 'ও' বুলি কৈ মোৰ চকু দুটি পৰীক্ষা কৰিবলৈ লৈছিল।

কিন্তু মোৰ ভাৱ হৈছিল ডাঃ দীপাঙ্কৰে কেৱল চকুৱে চোৱা নাছিল· মোৰ দেহৰ লগতে মনৰো সমস্ত বতৰা লৈছিল আৰু মই অনুভৱ কৰিছিলো দেহ আৰু মনৰ মাজত এক 'অনামী শিহৰণ।' আমি কব নোৱাৰাকৈয়ে প্ৰেমৰ বস্তু গভীৰলৈ সোমাই গৈছিলো। এদিন মোৰ চুলিৰ মাজেৰে আঙুলি বুলাই দীপাঙ্কৰে মোক আচৰিত কৰি দি কৈছিল— 'দীপা, প্ৰেমৰ যদি কোনোবা দেৱতা আছে—সেই দেৱতাক লগ ধৰি এবাৰ সুধিম— তেওঁ দেৱতা হৈ মানুহৰ প্ৰেমক লঘু কৰাৰ অধিকাৰ ক'ত পালে ? কোমল হিয়াত অংকুৰিত প্ৰেমৰ কলিত বিষাক্ত কীট সংযোগ কৰি চৰম নিষ্ঠুৰতাৰ পৰিচয় দিও নিজক কেনেকৈ প্ৰেমৰ দেৱতা বুলি ক'ব পাৰে ?' দীপাঙ্কৰৰ কথাবোৰ শুনি মই একো ক'ব পৰা নাছিলো। কেৱল মুখলৈ চাই আছিলো সজল নেত্ৰে।

মই কেতিয়াও শুনা নাই কোনোবা কেন্সাৰ ৰোগী ভাল হোৱা বুলি। মইও এজনী কেন্সাৰ ৰোগী। মৃত্যু সমাগত বুলি ময়ো জানো। তথাপি কেন্সাৰ ৰোগৰ বীজাণু বুকুত বান্ধিও মই সপোন দেখো—ডাঃ দীপাঙ্কৰৰ লগত সুখৰ সংসাৰৰ। কল্পনা কৰো—বেমাৰৰ পৰা আৰোগ্য লাভ কৰি নিৰোগী মানুহৰ দৰে ঘূৰি ফুৰিম। ক'ব নোৱাৰাকৈয়ে দুগালেৰে দুধাৰি চকুলো বৈ আহিছিল। অৱশ্যে ডাক্তৰে কৈছে অপাৰেশ্যন্ কৰাৰ পিছৰ পৰা হেনো ঘা ডোখৰ বাঢ়িব পৰা নাই। সেই দিনটোৰ কথা মনত পৰিলে এতিয়াও মোৰ আপাদমস্তক কঁপি উঠে।

······গুৱাহাটীৰ পৰা মোক পঠিয়াইছিল সুদূৰ ভেলোৰলৈ। S. K Roy নামৰ ডাক্তৰজনে পৰীক্ষা কৰি উঠি মোক নানান ধৰণে বুজাইছিল·· "আমাৰ ডাক্তৰবোৰৰ জীৱন সংগ্ৰামী জীৱন। আমি সংগ্ৰাম কৰিব লাগে···জীয়াই ৰখাৰ সংগ্ৰাম ; কাৰোবাৰ ছিন্ন মৰমক পুনৰ সংযোগ কৰাৰ সংগ্ৰাম। এই হস্পিতেললৈ বহুত ৰোগী আহে। চিকিৎসাৰ শেষত কোনোবা হাঁহি হাঁহি ঘৰলৈ উভতি যায় আৰু বেছি ভাগেই আঁতৰি যায় সংসাৰৰ পৰা চিৰদিনৰ বাবে। তোমাৰ কালিলৈ অপাৰেশ্যন হ'ব, আজি ৰেষ্ট লোৱা। Best of Luck." সিদিনাৰ কাৰণে ডাক্তৰ গুচি গৈছিল। পাছদিনাখন মোৰ অপাৰেশ্যন্ হৈ গ'ল। মই মৃত্যুৰ দুৱাৰ-ডলিৰ পৰা ঘূৰি আহিলো যদিও হাওঁফাওঁৰ এটা অংশ চিৰদিনৰ বাবে হেৰুৱালো। অপাৰেশ্যনৰ পিছতো মোৰ স্বাস্থ্যৰ কোনো উন্নতি নঘটিল। এতিয়া মোৰ জীয়াই থকাৰ একমাত্ৰ প্ৰেৰণা বৰ্ত্তমান, ভৱিষ্যৎ ডাঃ দীপাঙ্কৰ গগৈ।

ইতিমধ্যে বাহিৰত বৰষুণ আৰম্ভ হৈছিল। খিড়িকি পাৰ হৈ দুই এটোপাল পানী আহি মোৰ গাত পৰিছিলহি। কেতিয়াবা ডাঃ দীপাঙ্কৰ আহি মোৰ আলেখ-লেখ চাই আছে মই গমেই পোৱা নাছিলো। "কি ভাবিছা দীপা", দীপাঙ্কৰৰ মাতত মই সচকিত হ'লো। "ও' আপুনি কেতিয়া আহিল" ? 'দুই মিনিট' বুলি কৈ লাহেকৈ হাঁহিলে। মইও অলপ স্বাভাৱিক হ'বলৈ চেষ্টা কৰি এনেয়ে হাঁহিলো। 'আজি ঘৰৰ পৰা কোনো অহা নাই ?' 'আহিছিল, অলপ আগতে গ'ল।' আজি-কালি দেউতা সদায় আহিলেও বেছি সময় বৈ নাথাকে। মা-দেউতাই মোক দীপাঙ্কৰৰ হাতত গতাই স্বস্তিৰ

নিশ্বাস পেলাইছে। ক'ব নোৱাৰাকৈয়ে এটি হুমুনিয়াহ ওলাই আহিল। হ'ল বুলিনো আৰু কিমান টানিব। মইও মা-দেউতাৰ উপস্থিতিতকৈ দীপাঙ্কৰৰ সান্নিধ্যহে বিচাৰো। ডাঃ দীপাঙ্কৰে মোৰ মূৰ শিতানতে বহি বহুতো কথা পাতিলে।

চাৰ্জন হাজৰিকা চাৰ আমাৰ কমলৈ অহাত দীপাঙ্কৰ থিয় হ'ল। মই সামান্য হাঁহিবলৈ যত্ন কৰিলো। আজি-কালি মোৰ গাটো খু-উ-ব বেয়া লাগি থাকে। চাৰ্জনে মোক পুনৰ পৰীক্ষা কৰিলে আৰু দীপাঙ্কৰক ওচৰলৈ মাতি নি কিবা বুজাবলৈ যত্ন কৰিলে। চাৰ্জনে দীপাঙ্কৰক কি কৈছিল মই শুনা নাছিলো যদিও তেওঁলোকৰ ভাৱ ভঙ্গীত মই অনুমান কৰিছিলো যে মোৰ বেমাৰৰ জটিলতা বৃদ্ধি পাইছে আৰু হয়তো চিকিৎসাৰ বাহিৰ হৈ গৈছে। চাৰ্জনে এবাৰ কি জানো কথা ক'লে - দীপাঙ্কৰে চিঞৰি উঠিল—"Oh No. No Sir. I must try to save her" দীপাঙ্কৰৰ চিঞৰটোত হঠাৎ মোৰ চকু জুৰি জাপ খাই গ'ল। দীপাঙ্কৰৰ অসহায় অৱস্থাৰ কথা ভাবি মোৰ অন্তৰে কান্দি উঠিল। মনত ভাব হ'ল দীপাঙ্কৰক ভাল পাই সঁচাকৈয়ে মই ভুল কৰিলো। এই ভুলৰ শুধৰণি ক'ত? বাহিৰত তেতিয়া বৰষুণ জাকে প্ৰবল মূৰ্তি ধাৰণ কৰিছিল।

---

"যি জনে নিজকে বেছি বুদ্ধিমান বুলি ভাবে তেওঁ আটাইতকৈ বেছি মূৰ্খ।"—ভল্টেয়াৰ

# নতুন পথৰ সন্ধানত

--বিজয় কুমাৰ নাথ
২য় বাৰ্ষিক, স্নাতক

অমলাই তাইৰ দুৰ্বল শৰীৰটোক চোঁচৰাই লৈ গৈছিল। আচলতে তাই বাধ্য হৈছিল। তাই আজি ৰবিবাৰেই মিনতিক যেনে তেনে লগ পাব লাগিব। অন্য দিনততো মিনতিক লগ পোৱাটো কঠিন। মিনতি চাকৰি কৰা ছোৱালী। চাকৰি কৰি ঘৰ চলোৱাৰ উপৰিও মিনতি সেই অঞ্চলৰ 'জাগ্ৰত মহিলা সমিতিৰ' সভ্যা। সেয়ে অফিচ ছুটিৰ পিছত বাকীখিনি সময় মহিলা সমিতিৰ কাম-কাজতে ব্যস্ত হৈ থাকে। ৰবিবাৰটোতে কেৱল ঘৰত থাকে। সেয়ে আজি লগ নধৰিলে আকৌ এসপ্তাহ অপেক্ষা কৰিব লাগিব। আৰু এসপ্তাহ অপেক্ষা কৰিবলৈ অমলাৰ যেন আৰু ধৈৰ্য্য নাই।

ৰূপ-গুণ কোনোটোৰেতো অমলাৰ অভাৱ নাছিল। কিন্তু দেউতাকৰ এটা বস্তুৰ অভাৱে যেন তাইৰ বৈবাহিক জীৱন দুৰ্বহ কৰি পেলাইছে। শুনিব লগীয়া হৈছে গিৰিয়েকৰ নানান ককৰ্থনা। সহ্য কৰিব লগীয়া হৈছে তাই নানান অত্যাচাৰ আৰু উৎপীড়ন। দেউতাকৰ সেই অভাৱটো আছিল আধুনিক অভিজাত পৰিয়ালৰ মানদণ্ড নিৰ্ণায়ক মাপ-কাঠী ধন-দৌলতৰ। দেউতাকে অশেষ কষ্ট কৰি দৰা বিচাৰিছিল। পাইছিলো। কন্যাদায়ৰ তাড়নাত মনৰ সকলো দুখ গোপন কৰি অমলাক বুজনি দিছিল—"তোৰ কপাল ভাল মা-জনী! স্বনন্দ ভাল ল'ৰা। তই বৰ সুখী হবি।" দেউতা-কৰ ওলাই আহিব খোজা চকুলো ধাৰি বন্ধ কৰোঁতে বৰ কষ্ট হৈছিল। তাতোকৈ বেছি কষ্ট হৈছিল অমলাক কথা লুকুৱায়। দেউতাকজন হৈ নিজৰ জীয়েকক কেনেকৈনো ক'ব যে তাইৰ বিয়া ঠিক হৈছে এটা চৰ্তত—যৌতুকৰ চৰ্তত।

অমলাই কিন্তু কথাটো গম পাওঁতে বেছি দিন নালাগিল। কথাটো জানি আৰু যৌতুক কমকৈ অনাৰ কাৰণে গিৰিয়েকৰ ককৰ্থনাবোৰ শুনি শুনি ঘৈণীয়েকৰ যৌতুকেৰে বৰ মানুহ বোলাই অহা পুৰুষ সকলৰ প্ৰতি ঘৃণাত আৰু ক্ৰোধত অমলাৰ নাক কোঁচ খাই গৈছিল। দেউতাকৰ ভাঙি যোৱা সপোন নিজৰ অন্ধকাৰ ভৱিষ্যতৰ কথা ভাবি অমলা যেন বিব্ৰত হৈ পৰিছিল।

......শেহ্ৰালি পেহীয়েকৰ পৰা অমলাই ধাৰে লোৱা টকা কেইটা দিম দিম বুলিও দিব পৰা নাছিল। বহু দিন হ'ল। সেয়ে টকা কেইটা ঘূৰাই দিবলৈ বুলি কালি তাই পেহীয়েকৰ ঘৰলৈ গ'ল। বহুদিনৰ মূৰত যোৱা বাবে ৰাতি থাকিবলৈ অমলাক বৰ জোৰ কৰিলে। অমলা ৰাতি থাকিবলৈ মান্তি নোহোৱাত পেহীয়েকে ভেকাহি মাৰি ক'লে—"হে-এ-য়া তোৰ এই

আপত্তিটো কেতিয়া গুচিব।” “নহয় অ' পেহী মানে ঘৰৰ বৰ অসুবিধা” বুলি অমলাই সন্ধিয়াতে গুচি আহিল।

অমলাই নঙলাৰ পৰাই শুনিলে গিৰিয়েকে কিবা কিবি বলকি আছে। পিছে শুনিও নুশুনাৰ ভাঁও ধৰি নঙলা খুলি সোমাই আহিল। মুখৰ ভিতৰতে অমলাই ভোৰ ভোৰালে “আজি অলপ বেছিকৈয়ে ধৰিছে কিজানি।” কিন্তু নহয়। অমলা যিমানে গুচৰ চাপি আহিল কথাবোৰ সম্পূৰ্ণকৈ শুনিলে আৰু তাইৰ কাণত ঠ হৰ ঠ হৰ কৈ সোমাই গ'ল। “চালি ভিকহুৰ জীয়েক, নিজে বাপেকৰ পৰা একো এটা আনিব নোৱাৰিলে। পিছত দিম বোলা খিনিও আনিব পৰা নাই। আনে অনা দেখিলেও তাইৰ সম্মানত আঘাত লাগে। এই গধুলিলৈ ভিকহুৰ জীয়েক আহিবৰ।” অমলাই আৰু একো নুশুনিলে। দেউতাকৰ বিষয়ে এনে মন্তব্য কৰা শুনি অপমানত তাইৰ সৰ্ব্বশৰীৰ কঁপি উঠিল। তাইৰ বুজিবলৈ বাকী নাথাকিল ধনীৰ দুলালী অনুপমাই আজিও তাইৰ বিষয়ে গিৰিয়েকক কিবা লগাইছে। তাইৰো কিবা কিবি কৰলৈ মন গৈছিল। কিন্তু নিজকে সংযত কৰিলে। নাৰীৰ ওপৰত পুৰুষে কৰা অন্যায়ৰ প্ৰতিবাদ কৰিব পৰা ক্ষমতা অমলাৰ আছে। কিন্তু নাৰীয়ে নাৰীৰ ওপৰত কৰা অন্যায়ৰ প্ৰতিবাদৰ ভাষা অমলাৰ নাই। ওচৰ-চুবুৰীয়াৰ লগত মিলি থাকিব খুজিলেও অমলাক সিহঁতে ভাল চকুৰে নাচায়।

চুবুৰীয়া হ'লেও অনুপমাই অমলাক সতিনীৰ দৃষ্টিৰেহে চায়। ইয়াৰ কাৰণ অমলাই বুজি নাপা-লেও মলয়াই বুজি পায়। মলয়া অমলাৰ ননদ। মলয়াৰ বাবেই অমলা আজিও জীয়াই থাকিব পাৰিছে। অমলাৰ দৰে প্ৰতিবাদী কণ্ঠ এটা মলয়াৰো আছে। ককায়েকৰ চৰ-ভুকু খালেও তাই ককায়েকে বৌয়েকৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিবাদ নকৰাকৈ নাথাকে।

ৰাতি খাই বৈ আন সকলোটি বিচনাত পৰিল যদিও সন্ধিয়াতে ওলাই যোৱা অমলাৰ গিৰিয়েক তেতিয়াও ঘৰ সোমোৱাহি নাই। বাচন বৰ্তন সামৰি অমলাও বিচনাত পৰিল যদিও টোপনি অহা নাই। মনত নানান ভাব। তাই এনে বুজি নাপায় তাইৰ দোষ কি? তাই কাৰ পাৰী খোজা পৃথিবীত বিহ দিবলৈ গৈছে—যে তাইক সকলোৱে সঁচা মিছা এসোপা বদনাম দি নানান কুৎসা ৰটনা কৰি ফুৰিব। গিৰিয়েকেও ৰাটৰ কচু গাত ঘঁহি আহি খজুৱতি মাৰেহি তাইৰ ওপৰতে। এইবোৰ ভাবি থাকোঁতে সিটো কমত শুই থকা মলয়াই ভাত ঘুমটিৰ পৰা সাৰ পাই বাহিৰলৈ ওলোৱাত অমলাও উঠি আহিল।

বাহিৰত ঠাণ্ডা অলপ পৰিছে। অমলাই চাদৰ খন ভালকৈ লৈ ল'লে। ফিৰ্-ফিৰিয়া বতাহ এজাকে দুয়োকো কোবাই গ'ল। অমলাই লক্ষ্য কৰিলে অনুপমাহঁতৰ ড্ৰয়িংৰুমত তেতিয়াও টিউব লাইটটো জ্বলি আছে। মলয়াৰো চকুত পৰিল কোনোবাই এই শীতৰ মাজ নিশাতো তাত বহি বহি কিবা গোপন মেল মাৰি আছে। এনেতে সিহঁতৰ ঘৰৰ পৰাই ভাহি আহিল কেইটিমান শব্দৰ শেল। অমলা আৰু মলয়া দুয়োয়ে বুজি পালে সেয়া অনুপমাৰ মাত। “সেই খাৰ

নোপোৱাব জীয়েক অমলা চুৱা-পাত চেলেকাজনীৰ কথা মোৰ আগত নকবা। গা বেজ-ৰেজাই যায়। তাই বেটীক জোলোকে-জোলোকে পানী খুৱাব নোৱাবিলে ময়ো ভজহবিৰ জীয়েক অনুপমাই নহওঁ।” কথাবোবে অমলাক থকা—সবকা কবিলে। তথাপি ধৈৰ্য্য ধৰি আহি বিচনাত পৰিল।

মলয়াৰ বাদে ঘৰ-পৰ সকলোবে এটাই মাত্র কথা যৌতুক। ইমান কম অলংকাৰেৰে বিয়া দিয়াটো কাৰোবে পছন্দ হোৱা নাই। লগত অনা পালেং-চকীবোৰক লৈ তাইকতো ইতিংকিং কৰা বাকী নাই। এই সকলোবোৰ অমলাই সহ্য কৰিব পাৰে। কিন্তু গিৰিয়েকে যেতিয়া দেউতাকক ধৰি ‘ভিকহুৰ জীয়েক’ বুলি খেদি যায় তাইৰ ধৈৰ্য্যৰ বান্ধ ছিডি যায়। এইবোৰ কথাকে ভাবি অমলাই বিচনাত পৰি ইচাট-বিচাট কৰি আছে। হঠাৎ বাহিৰত গিৰিয়েকৰ জিভা ভাঁজ নোখোৱা কথাৰ গৰ্জন শুনিলে—“ঐ ভিকহুৰ জীয়েকৰ এই ফুট গধূলিতে কি মৰ টোপনি আহিল? দুৱাৰ নুখুলিলিনে?”

অমলাই বুজিলে আজি অলপ বেছিকৈয়ে ধৰিছে। যাওঁ-নেযাওঁ কৈ গৈ দুৱাৰখন খুলিব খোজোতেই—“ঐ খুলিলিনে দৰ্জা” বুলি গু-মু-ৰ কৈ গুৰি মাৰি দিলে। দৰ্জা খুলি গৈ অমলাৰ নাকটোতে খুন্দিয়ালে। গিৰিয়েকৰ মুখৰ পৰা ওলোৱা ভেকেটা-ভেকেট গোন্ধে গোটেই কমটো চানি পেলালে। অমলাই নিজকে সংযত কৰি সুধিলে—“বহুত ৰাতি কৰিলে দেখোন।” মলয়াৰ কথাত গিৰিয়েকে ঢেক-ঢেক কৈ হাঁহিলে আৰু চিঞৰি ক’লে “ঐ তোৰ সেই খাব নোপোৱা বাপেৰে দিম দিম বুলিও সম্পত্তি খিনি দিয়া নাই কিয়? চালা চুৱা-পাত চেলেকা। আৰু শুন যদি তুই এদিনতে বাপেৰে বস্তুখিনি নিদিয়ে তেনে-হ’লে জানিবি তোৰো এই ঘৰত চাউল উঠিল।

” অনৰ্গল বকি যোৱা গিৰীয়েকৰ কথা শুনি থকাৰ ধৈৰ্য্য অমলাৰ নাছিল। দৌৰি গৈ বিচনাত পৰিল। তাইৰ পুনৰ বাৰ চিঞৰি চিঞৰি কবৰ মন গ’ল—“পৰৰ সম্পত্তিক আশা কৰা নিলাজৰ জাত, পেন্ট পিন্ধি পুৰুষ বোলাইছ। খুলি পেলা—পেটিকোট পিন্ধ।” কিন্তু চকুপানীয়ে তাইৰ কণ্ঠক ৰোধ কৰিলে। অমলাৰ এনে লাগিছিল যৌতুকত বাদে যেন তিৰোতাৰ তেজ-মঙহৰ শৰীৰটোৰ অলপো মূল্যই নাই। তাইৰ গিৰিয়েকো গৈছিল যেন ধন দৌলতক বিয়া কৰাবলৈহে—তাইক বিয়া কৰাবলৈ নহয়। দেউতাকেওতো তাইক পৰাখিনি দিছিলেই—আৰু নোৱাৰা খিনিও ককাইদেৱকৰ চাকৰি হোৱাৰ পিচতে দিম বুলি কৈছিল। কিন্তু চাকৰিতো দূৰৰ কথা—চাকৰিৰ নামত থকা মাটি খিনিও বন্ধকত গ’ল। কিন্তু চাকৰিটো নহ’ল। গতিকে দেউতাকেনো এতিয়া ক’ৰপৰা দিয়ে বাকী থকা যৌতুকখিনি। তাই ভাবিব ধৰিলে তাইৰ দৰে সকলো থাকিও একমাত্র ধন-দৌলতৰ অভাৱৰ কাৰণে স্বামীৰ ঘৰত নিৰ্যাতন ভোগ কৰা হাজাৰজনী জীয়ৰীৰ কথা। কিছু-মানক আকৌ গাত জুই জ্বলাই পুৰি মৰাৰ কথাও তাই কাকতে পত্রে পঢ়িবলৈ পাইছে। এনেবোৰ দুৰ্ভগীয়া বোৱাৰীৰ কথা মনত অহাৰ লগে লগে অমলাৰ হিয়া কান্দি উঠিছিল যদিও তাই ভাগি নপৰিল। ইয়াৰ এটা প্রতিকাৰ

উলিয়াবৰ কাৰণে তাই দৃঢ়মনা হ'ল। প্ৰয়োজন হলে মহিলা সংগঠনৰ জৰিয়তে আন্দোলনৰ পথ লব লাগিব, তথাপি তাই নাৰীৰ ওপৰত যৌতুকৰ কাৰণে পুৰুষে চলোৱা অত্যাচাৰ চলি থাকিব দিব নোৱাৰে। অমলাই আৰু পলম নকৰি পাছদিনা পুৱাতে মিনতিৰ ঘৰলৈ যাবলৈ ঠিক কৰিলে। মিটিঙত শুনা মিনতিৰ কথাবোৰে তাইক এনেদৰে মোহিত কৰিছিল যে এই ক্ষেত্ৰত মিনতিয়েই হ'ব আটাইতকৈ উপযুক্ত নেতৃ। মিটিঙত কোৱা মিনতিৰ এষাৰ কথা তাইৰ এতিয়াও মনত পৰে—"বাইজ শুনক, সুন্দৰক আমি প্ৰতিষ্ঠা কৰিব লাগিব। অন্যায়ৰ বিৰুদ্ধে আমি একগোট হৈ মাত মাতিব লাগিব। নাৰীয়ে নাৰীৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিব লাগিব। আৰু শুনক নাৰী অবলা হ'লেও দুৰ্বলা নহয়। নাৰীৰো নিজৰ আত্মমৰ্যাদা আছে। সন্মান আছে। নাৰী পণ্য সামগ্ৰী নহয়। বিয়াৰ সময়ত যৌতুক বিচাৰি আৰু যৌতুক দিব নোৱাৰাৰ কাৰণে কিমান জীয়ৰী-বোৱাৰীক হাবা-শাস্তি কৰা হৈছে আপোনালোকে জানেই। এতিয়া সময় হৈছে নাৰীয়ে পুৰুষক বুজাই দিয়াৰ—যে যৌতুকতকৈ নাৰীৰ জীৱনৰ মূল্য বহুত বেছি। এই সকলোবোৰ সম্ভৱ হ'ব যেতিয়া সকলো নাৰীয়ে সংঘবদ্ধভাবে জাগি উঠিব··· ।"

ৰাতিপুৱাই খাওঁ-খাওঁকৈ ওলাই অহা পকা ৰ'দ জাককো আওকাণ কৰি অমলাই খোজ লৈছে মিনতিৰ ঘৰলৈ। লগত মলয়া। মিনতিৰ ঘৰলৈ কিছুদূৰ বাট যাব লাগিব। ৰ'দজাক তীব্ৰ হৈ আহিছে। তাতে গৰ্ভত থকা ন-মহীয়া সন্তানটিয়ে বাওপেটত খুন্দিয়াই দিয়াত অমলাই খোজ কঢ়াত কষ্ট পাইছে। কষ্ট হ'লেও তাই যাবই লাগিব। মিনতিক আজি দেওবাৰে লগ নধৰিলেযে আকৌ এসপ্তাহ বৰ লাগিব। তাই বোৱাৰ সময় নাই। খোজৰ গতি যিমান পাৰে বঢ়াই গৈ থাকিল।

—:×:—

---

ডোকাতুৰ আৰু এলেহুৱা মানুহৰ আগত ঈশ্বৰে এটা ৰূপত দেখা
দিব পাৰে, সি হৈছে কাম, আৰু তাৰ বিনিময়ত
তাৰেই মূল্য হিচাবে আহাৰ। ঈশ্বৰে
মানুহক কাম কৰি খাবৰ কাৰণে
সৃষ্টি কৰিছে আৰু কৈছে যি
নকৰাকৈ খাই সি
চোৰ।

—মহাত্মা গান্ধী